**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-07-2025 **Time :** 1800 Hrs.

## <u>Assamese Evening Bulletin</u>

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং-বদৰপুৰ পাহাৰ ৰে'ল লাইনৰ মুপা-দিহাখো ষ্টেচনৰ মাজত আজি পুৱাৰ ভাগত হোৱা ভূমিস্খলনৰ ফলত কেইবাখনো ৰে'ল বাতিল কৰা হৈছে। ভূমিস্খলনৰ বাবে আজি পুৱা গুৱাহাটীৰ পৰা শিলচৰ অভিমুখী ৰে'লখন পুনৰ গুৱাহাটীলৈ ঘূৰাই অনাৰ লগতে শিলচৰৰ পৰা গুৱাহাটী অভিমুখী যাত্ৰীবাহী ৰে'লখনো বদৰপুৰৰ পৰাই ঘূৰাই নিয়া হয়। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে পাহাৰৰ পৰা শিল আৰু মাটি খহি আহি ৰে'ল পথছোৱা বন্ধ হৈ পৰাত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ ছখন ৰে'ল আংশিকভাৱে বাতিল, আঠখন ৰে'ল সম্পূৰ্ণৰূপে বাতিল, তিনিখন ৰে'লৰ সময় পুনৰ নিৰ্ধাৰণ কৰাৰ লগতে চাৰিখন ৰে'ল নিয়ন্ত্ৰিত কৰা হৈছে। বাতিল কৰা ৰে'লসমূহৰ ভিতৰত গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ, ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, গুৱাহাটী-দুৰ্লভচৰা এক্সপ্ৰেছ, শিলচৰ-নাহৰলগুন এক্সপ্ৰেছ, দুৰ্লভচৰা-গুৱাহাটী এক্সপ্ৰেছ আৰু নাহৰলগুন-শিলচৰ এক্সপ্ৰেছ আছে। লামডিং-বদৰপুৰ ৰে'লপথত তৃতীয়বাৰৰ বাবে হোৱা ভূমিস্খলনত এই ৰে'লপথ বন্ধ হোৱাত যাত্ৰীসকলে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। যাত্ৰীসকলৰ সুবিধাৰ্থে গুৱাহাটী, লামডিং, শিলচৰ, বদৰপুৰ আৰু আগৰতলা ষ্টেচনত হেল্প ডেস্ক মুকলি কৰাৰ লগতে আবদ্ধ যাত্ৰীসকলৰ বাবে খাদ্যৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে, যোৱা ২৩ জুনত জাতিংগা-লামপুৰ আৰু নিউ হাফলঙৰ মাজত হোৱা ভূমিস্খলনৰ বাবে এই অংশত ছদিনৰ বাবে ৰে'লসেৱা বন্ধ হৈ আছিল। ৩০ জুনত পুনৰ ৰে'লসেৱা আৰম্ভ হয় যদিও যোৱা ৩ জুলাইত পুনৰ মুপাৰ সমীপত ভূমিস্খলন হোৱাত ৰে'লসেৱা ব্যাহত হৈ পৰে। পৰহি মাইবং-দাওতুহাজা আৰু মুপা-দিহাখোৰ মাজত ৰে'ল পথৰ দুটা স্থানত ভূমিস্খলন হোৱাৰ পাছত কালি পুনৰ ৰে'লসেৱা আৰম্ভ কৰা হৈছিল।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ সুদৃঢ় কৰাৰ উপৰি সামুদ্ৰিক খণ্ডত অঞ্চলটোৰ যুৱক-যুৱতীসকলক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। গুৱাহাটীত আজি এখন সংবাদমেলত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰি কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া সামুদ্ৰিক উৎকৰ্ষতা কেন্দ্ৰত অনাগত ১০ বছৰত ৫০ হাজাৰ ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিয়া হ'ব। তেওঁ লগতে কয়, যে নদী জলপথেৰে জাহাজৰ বছৰজোৱা নিৰৱচ্ছিন্ন আৰু সুচন চলাচলৰ বাবে নদী খননৰ ব্যৱস্থা কৰা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১১ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ছয় লাখ কোটিৰো অধিক আৰ্থিক অনুদান প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰী মোদীৰ **পৰিবহণৰ**

**জৰিয়তে পৰিৱৰ্তন**ৰ মূলমন্ত্ৰই উত্তৰ-পূৰ্বাঞ্চলক সমৃদ্ধ কৰি তোলাৰ লগতে এক্ট-ইষ্ট নীতিৰ জৰিয়তে সমগ্ৰ অঞ্চলটো দক্ষিণ-পূব এছিয়াৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

০০০০০০০

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত আজি লখিমপুৰ জিলাৰ ধলপুৰ, পানীগাঁও, দ'লহাট, নাওবৈচা আৰু বিহপুৰীয়া কৃষি চক্ৰত উন্নতমানৰ শালিধানৰ বীজ সিঁচা হয়। সংশ্লিষ্ট কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া, কৃষি সম্প্ৰসাৰণ সহায়কৰ লগতে কেইবাগৰাকী কৃষকে এই বীজ সিঁচা কাৰ্যত অংশ লয়। ৰাজ্যৰ বানত ক্ষতিগ্ৰস্ত কৃষকসকলক সকাহ দিয়াৰ উদ্দেশ্যে কৃষি বিভাগৰ সামূহিক কঠিয়াতলি স্থাপনৰ বিশেষ কাৰ্যসূচীৰ অধীনত এই বীজ সিঁচা হয়। ইয়াৰ জৰিয়তে কৃষকসকলে উন্নত প্ৰজাতিৰ কঠিয়া বিনামূলীয়াকৈ লাভ কৰিব।

০০০০০০০

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ধেমাজি জিলা প্ৰশাসনৰ সহযোগত ধেমাজিত আজিৰে পৰা ১৫ দিনীয়াকৈ সত্ৰীয়া নৃত্য আৰু গায়ন-বায়নৰ কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ দুটা সামাজিক-সাংস্কৃতিক সংগঠনৰ উদ্যোগত ধেমাজি নলনিপাম প্ৰাথমিক বিদ্যালয়ত আয়োজন কৰা এই কৰ্মশালাত ভালেসংখ্যক শিশু আৰু কিশোৰ-কিশোৰীয়ে অংশগ্ৰহণ কৰিছে। এই কৰ্মশালাত মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ যুৱ বৈষ্ণৱ হেমন্ত ফুকন আৰু সত্ৰীয়া নৃত্যশিল্পী, গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ শিল্পী ঋতৃষ্ণা ভৰালীয়ে প্ৰশিক্ষণ প্ৰদান কৰিব বুলি জিলা সাংস্কৃতিক বিষয়াই জনাইছে।

০০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আজিৰে পৰা চাবুৱা ষ্টেডিয়ামত সমৰ কলাৰ গ্ৰীষ্মকালীন প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই এই কৰ্মশালাখন শুভাৰম্ভ কৰে। ১৫-দিনীয়া এই কৰ্মশালাত অঞ্চলটোৰ ভালেসংখ্যক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। সমৰ কলা বিষয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভা উত্তৰণৰ লক্ষ্যৰে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০০০০০

গোলাঘাট জিলাৰ বিভিন্ন অঞ্চল শেহতীয়াকৈ বানৰ কবলত পৰিছে। জিলাখনৰ সৰুপথাৰ, খুমটাই, নুমলীগড়, মৰঙীকে ধৰি দুকুৰিৰো অধিক গাঁও জলমগ্ন হৈছে। ধনশিৰি নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিয়ে। আজি বিধায়ক বিশ্বজিৎ ফুকনে সৰুপথাৰ অঞ্চলৰ বান ক্ষতিগ্ৰস্ত ৰাইজৰ অৱস্থাৰ বুজ লয়। গোলাঘাট জিলা প্ৰশাসনে ঠায়ে ঠায়ে শিবিৰ মুকলি কৰি সাংহায্য বিতৰণৰ ব্যৱস্থা কৰিছে।

০০০০০০

**সমাপ্ত**